জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ১৫৬/২০২২**

‘উত্তৰ-পূবৰ জৰিয়তে এক্ট ইষ্ট’ৰ ওপৰত আয়োজিত সন্মিলন উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

# এক্ট ইষ্ট পলিচিয়ে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বিকাশৰ দিশত নতুন দিগন্তৰ সূচনা কৰিছে

## ৰাজ্য চৰকাৰে আছিয়ান দেশসমূহৰ দুৱাৰমুখ হিচাপে অসমক পৰিগণিত কৰাৰ বাবে নিৰন্তৰ কাম কৰি আহিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৭ মে’** ঃ ‘প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বলিষ্ঠ নেতৃত্বত ভাৰত চৰকাৰে ৰূপায়ণ কৰা এক্ট ইষ্ট পলিচিয়ে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বিকাশৰ দিশত এক নতুন দিগন্তৰ সূচনা কৰিছে আৰু বৰ্তমান এই অঞ্চলটোৰ উন্নয়নৰ ক্ষেত্ৰত এক দৃষ্টান্তমূলক পৰিৱৰ্তন সাধন হৈছে।’ আজি মহানগৰীত আছিয়ান দেশসমূহৰ ৰাষ্ট্ৰদূত আৰু উচ্চায়ুক্তসকলৰ উপস্থিতিত অনুষ্ঠিত ‘উত্তৰ-পূবৰ জৰিয়তে এক্ট ইষ্ট’ৰ ওপৰত আয়োজিত সন্মিলনত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এইদৰে কয়।

মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এক্ট ইষ্ট পলিচিৰ জৰিয়তে উন্নয়নে যি মাত্ৰা লাভ কৰিছে তাৰ দ্বাৰা উত্তৰ-পূবৰ জনসাধাৰণে নিজকে ভাৰত চৰকাৰৰ বিভিন্ন উন্নয়নমূলক কাৰ্যসূচীসমূহৰ সৈতে সংপৃক্ত কৰিব পাৰিছে। তেওঁ লগতে কয় যে এই এক্ট ইষ্ট পলিচিৰ পটভূমিত বৰ্তমানৰ ৰাজ্য চৰকাৰে অসমক আছিয়ান ব্লকৰ ‘এক্সপ্ৰেছৱে’ আৰু ‘গেটৱে’ হিচাপে গঢ়ি তুলিবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিছে।

মুখ্যমন্ত্ৰীয়ে কয় যে এক্ট ইষ্ট পলিচিৰ সাৰ্থক ৰূপায়ণৰ দিশত অধিক দ্ৰুততাৰে আগুৱাই যাব পৰাকৈ এই পদক্ষেপৰ অংশ হিচাপে অসম চৰকাৰৰ এক্ট ইষ্ট পলিচি বিভাগে আজিৰ এই সন্মিলনৰ আয়োজন কৰিছে। ইয়ে অসমৰ এই ভৌগোলিক খণ্ডক আছিয়ান দেশসমূহৰ সৈতে নিৰন্তৰ প্ৰচেষ্টাৰে অব্যাহত ৰখা অৰ্থনৈতিক সহযোগিতা, যোগাযোগ, বাণিজ্য আৰু বিনিয়োগৰ শক্তিশালীকৰণৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী শৰ্মাই কয় যে প্ৰধানমন্ত্ৰী মোদীৰ গতিশীল আৰু দূৰদৰ্শী নেতৃত্বত ২০১৪ চনৰ পৰা উত্তৰ-পূৰ্বাঞ্চলৰ দ্ৰুত পৰিৱৰ্তন সম্ভৱ হৈ উঠিছে আৰু ‘এক ফাষ্ট’ৰ লক্ষ্যৰে প্ৰধানমন্ত্ৰীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ জনসাধাৰণক নতুন আশা, শক্তি প্ৰদান কৰিছে। তেওঁ কয় যে কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন উন্নয়নমূলক প্ৰকল্পই আজি উত্তৰ-পূৰ্বাঞ্চলক আছিয়ান দেশসমূহৰ দুৱাৰমুখ হিচাপে পৰিগণিত কৰাৰ পথ প্ৰশস্ত কৰিছে।

মুখ্যমন্ত্ৰীয়ে কয় যে কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূব তথা ইয়াৰ জনসাধাৰণৰ প্ৰতি অব্যাহত ৰখা উন্নয়নমুখী ধাৰাটোৱে প্ৰমাণ কৰিছে যে এই অঞ্চলটো ভাৰতৰ পৰিধিতেই নহয়, প্ৰকৃততে ই দক্ষিণ-পূব

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

এছিয়াৰ দ্ৰুততম উদীয়মান দেশসমূহৰ ব্যৱসায় আৰু বাণিজ্যিক কেন্দ্ৰ হিচাপে পৰিগণিত হোৱাৰ সম্ভাৱনা প্ৰকট কৰিছে। সেইবাবে অসম চৰকাৰে আছিয়ান আৰু দক্ষিণ-পূব এছিয়াৰ 'দুৱাৰমুখ' আৰু 'এক্সপ্ৰেছ পথ' হিচাপে অসমক পৰিগণিত কৰাৰ বাবে নিৰন্তৰ কাম কৰি আহিছে। চৰকাৰে অসমক এক ঔদ্যোগিক কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে দৃঢ়তাৰে প্ৰয়াস চলাইছে। ইয়াৰ ফলত কেৱল এই অঞ্চলটোতে নহয়, বিবিএন আৰু আছিয়ান দেশসমূহৰ জনসাধাৰণৰ বাবেও সেৰা আগবঢ়াবলৈ সক্ষম হ'ব বুলি তেওঁ কয়।

এছিয়ান দেশসমূহৰ সৈতে উত্তৰ-পূৰ্বাঞ্চলৰ ভৌগোলিক নিকটতাৰ ওপৰত বক্তব্য ৰাখি মুখ্যমন্ত্ৰীয়ে কয় যে ম্যানমাৰ, চীন, ভূটান, নেপাল আৰু বাংলাদেশৰ দৰে দেশসমূহৰ সৈতে আমাৰ আন্তঃৰাষ্ট্ৰীয় সীমাৰ দূৰত্ব ৫৩০০ কিঃমিঃতকৈও কম। 'প্ৰকৃতাৰ্থত উত্তৰ-পূব হৈছে দক্ষিণ-পূব এছিয়াৰ দেশসমূহলৈ ভাৰতবৰ্ষৰ দুৱাৰমুখ আৰু মই বিশ্বাস কৰোঁ যে যোগাযোগ ব্যৱস্থাৰ শক্তিশালীকৰণে এছিয়ান দেশসমূহৰ সৈতে আমাৰ যৌথ উন্নয়নে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব'- মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে যোৱা ৭-৮ বছৰত আছিয়ান দেশসমূহৰ সৈতে ভাৰতৰ যোগাযোগ দ্ৰুত গতিত বৃদ্ধি পাইছে। বাণিজ্যিক সম্পৰ্ক অধিক সুদৃঢ় হৈছে, বিনিয়োগ ব্যৱস্থা যথেষ্ট বৃদ্ধি পাইছে আৰু দক্ষিণ-পূব এছিয়াৰ সৈতে উত্তৰ-পূবৰ যোগাযোগ ব্যৱস্থা বাস্তৱত পৰিণত হোৱাৰ দিশে দ্ৰুত গতিত অগ্ৰসৰ হৈছে। তেওঁ কয় যে অসমত আইন-শৃংখলা যথেষ্ট উন্নত হৈছে। সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন প্ৰত্যাহাৰ কৰা হৈছে। উত্তৰ আৰু দক্ষিণপাৰৰ জনসাধাৰণৰ যাতায়াত ব্যৱস্থা সুগম কৰাৰ বাবে ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নিৰ্মাণকে ধৰি উন্নয়ন সাধন কৰা হৈছে বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে অসমে ৰাজ্যখনৰ জৈৱ বৈচিত্ৰ সংৰক্ষণ আৰু সেউজ শক্তি উৎপন্ন কৰি প্ৰকৃতিৰ সৈতে সহাৱস্থানেৰে ৰাজ্যখনৰ উন্নয়নৰ বাবে এক ৰোড মেপ প্ৰস্তুত কৰাৰ দিশত অগ্ৰসৰ হৈছে। উৰাণ আন্তঃৰাষ্ট্ৰীয় আঁচনিৰ অধীনত কমেও ৬ খন আছিয়ান দেশৰ সৈতে সংযোগ সাধন কৰা হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ইয়াৰ জৰিয়তে অসম চৰকাৰে আছিয়ান দেশসমূহৰ সৈতে এক নতুন অৰ্থনৈতিক সহযোগিতা গঢ়ি তোলাৰ বাবে অগ্ৰসৰ হৈছে। তেওঁ লগতে কয় যে আছিয়ান ৰাষ্ট্ৰসমূহৰ সৈতে এক সুদৃঢ় আৰু বহনক্ষম সহযোগিতা গঢ়ি তোলাৰ বাবে অসম চৰকাৰে আন্তৰিকতাৰে কাম কৰি আছে।

ছিংগাপুৰ উচ্চায়ুক্ত চাইমন উয়ে কুয়েনে উত্থাপন কৰা বিষয় সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে উত্তৰ-পূৰ্বাঞ্চল আৰু ইয়াৰ বৰ্হিৰাজ্যৰ জনসাধাৰণৰ সা-সুবিধাৰ দিশটোৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটী মহানগৰীৰ সম্প্ৰসাৰণৰ বাবে ছিংগাপুৰৰ সহযোগিতা বিচাৰে।

আজিৰ এই অনুষ্ঠানত উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে অসমত পৰ্যাপ্ত বিনিয়োগৰ সম্ভাৱনাৰ বিষয়ে আলোকপাত কৰে। পথ, ৰে'লপথ, বিমান পৰিবহন আৰু ইণ্টাৰনেট সংযোগৰ ক্ষেত্ৰত আন্তঃগাঁথনি উন্নয়নৰ বিভিন্ন দিশ সামৰি তেওঁ কয় যে এক্ট ইষ্ট পলিচি ঘোষণা কৰাৰ পূৰ্বে অসমক ভাৰতৰ শেষ প্ৰান্ত হিচাপে গণ্য কৰা হৈছিল। কিন্তু এই এক্ট ইষ্ট পলিচিয়ে সেই ধাৰণাটো সলনি কৰি অসমক আছিয়ান দেশসমূহৰ সৈতে ভাৰতৰ কেন্দ্ৰ বিন্দু হিচাপে গণ্য কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে লগতে আছিয়ান দেশসমূহৰ ৰাষ্ট্ৰদূত আৰু উচ্চায়ুক্তসকলক জি টু বি আৰু বি টু বি বৈঠকৰ বাবে তেওঁলোকৰ ব্যৱসায়িক প্ৰতিনিধিসকলক অসমলৈ প্ৰেৰণ কৰিবলৈ অনুৰোধ জনায়।

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in

# প্ৰেছ বাৰ্তা

প্ৰধানমন্ত্ৰীৰ অৰ্থনৈতিক উপদেষ্টা পৰিষদৰ সদস্য সঞ্জীৱ সন্যাল, অসম চৰকাৰৰ মুখ্য সচিব জিষ্ণু বৰুৱা, বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ যুটীয়া সচিব গীতিকা শ্ৰীবাস্তৱ, ভাৰতস্থ ছিংগাপুৰৰ উচ্চায়ুক্ত চাইমন উয়ে কুয়েন, এছ আই চি চি আই উত্তৰ-পূব উপদেষ্টা পৰিষদৰ অধ্যক্ষ ৰঞ্জিত বৰঠাকুৰেও অনুষ্ঠানত ভাষণ প্ৰদান কৰে।

এই বৈঠকৰ পিছত মুখ্যমন্ত্ৰীয়ে সঞ্জীৱ সন্যালৰ সৈতে অসমৰ অৰ্থনৈতিক বিকাশ আৰু উন্নয়ন সম্পৰ্কীয় বিভিন্ন বিষয় সম্পৰ্কত আলোচনাত মিলিত হয়।

**সুঃদঃ / হেঃশঃ**
**২৭/০৫/২০২২**